**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। পঞ্চদশ অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ সামৰণি। অধিবেশনত ৩৩ খন ন-পুৰণি বিধেয়ক গৃহীত।

২। ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন বিধানসভাত দাখিল।

৩। আজি দিনৰ ১১ বজাত আকাশবাণীযোগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ **মন কী বাত** অনুষ্ঠানৰ ১২৮ সংখ্যক খণ্ড।

৪। নগাঁও জিলাৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলীকৃত ভূমিত আজিও প্ৰশাসনৰ উচ্ছেদ অভিযান।
**আৰু**

৫। গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় উত্তৰ-পূব পেৰা স্পৰ্টছ মিটত ৫৩টা সোণৰ পদকেৰে অসমৰ শ্ৰেষ্ঠত্ব অৰ্জন।

০০০০০০

পঞ্চদশ অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ কালি সামৰণি পৰে। এই অধিবেশনত ন-পুৰণি মুঠ ৩৩ খন বিধেয়ক গৃহীত হয়। কালি অন্তিম দিনা শিক্ষা বিভাগৰ ৬ খন বিধেয়ককে ধৰি মুঠ ১১ খন বিধেয়ক গৃহীত হয়। ইয়াৰ ভিতৰত শিক্ষক-শিক্ষয়িত্ৰীৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ পুনৰ গঠন সংশোধনী বিধেয়ক ২০২৫, অসম বেচৰকাৰী শৈক্ষিক প্ৰতিষ্ঠানৰ মাচুল নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক ২০২৫ আৰু শিক্ষকৰ নিয়োগ আৰু বদলিকৰণ বিধেয়কো আছে। এই সন্দৰ্ভত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে কয়, যে ৰাজ্যৰ অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানসমূহত কৰ্মৰত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণৰ সমস্যা সমাধানৰ বাবে ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনৰ চৰ্তসমূহ শিথিল কৰা হৈছে। ২০০৬ চনৰ ১ জানুৱাৰীৰ পূৰ্বে ৰাজ্যত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ হ'ব বুলি তেওঁ উল্লেখ কৰে।

**বাইট (ৰণোজ পেগু)**

শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ নিশ্চিতকৰণৰ বাবে যোগদানৰ ভিত্তিবৰ্ষ সংশোধনীৰ চিন্তা-চৰ্চা কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অহা বছৰৰ ফেব্ৰুৱাৰীত হ'বলগীয়া বিধানসভাৰ অধিবেশনত এই সন্দৰ্ভত বিধেয়কখন পুনৰ সংশোধনৰ প্ৰচেষ্টা চলোৱা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে। মাচুল নিয়ন্ত্ৰণ প্ৰাধিকৰণে এতিয়াৰে পৰা ৰাজ্যৰ খ্ৰীষ্টিয়ান মিছনেৰী সকলক তেওঁ সামৰি ল'ব বুলি প্ৰকাশ কৰে। সংশোধনীৰ জৰিয়তে গাঁও পঞ্চায়ত এলেকাৰ অধীনৰ সকলো ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ মাচুলৰ ঊৰ্ধসীমা ২৫ শতাংশকৈ হ্ৰাস পাব বুলিও মন্ত্ৰীগৰাকীয়ে সদনক অৱগত কৰে।

ৰাজ্যৰ জনজাতীয় খণ্ড আৰু বেষ্টনীৰ অধীনৰ ভূমি সমস্যা সমাধানৰ বাবে ১১ খন জিলাত ভূমি ন্যায়াধীকৰণ স্থাপন কৰাৰ বাবেও কালি সিদ্ধান্ত লোৱা হয়। সদনত কালি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই এই বিষয়ে সদৰি কৰে। সদনত অসম জিলা ভূমি ন্যায়াধীকৰণ বিধেয়ক ২০২৫ গৃহীতকৰণৰ পূৰ্বে বিৰোধীৰ দলৰ বিধায়কসকলৰ সংশোধনী প্ৰস্তাৱৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে সদনত কালি ২০২৩-২৪ বিত্তীয় বৰ্ষৰ দেশৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষকৰ প্ৰতিবেদনসমূহ দাখিল কৰে। ইয়াৰ পাছতে অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে সদনৰ কাম-কাজ অনিৰ্দিষ্টকাললৈ স্থগিত ঘোষণা কৰে।

০০০০০০

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কীয় মন্ত্ৰীগোটৰ প্ৰতিবেদন কালি শীতকালীন অধিবেশনৰ অন্তিম দিনা বিধানসভাত দাখিল কৰা হয়। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিধানসভাত এই প্ৰতিবেদন দাখিল কৰে। ইয়াৰ লগে লগে এই জনগোষ্ঠীসমূহৰ জনজাতিকৰণৰ ক্ষেত্ৰত থকা আঁসোৱাহ দূৰ হোৱাৰ পথ প্ৰশস্ত হৈছে। বৰ্তমান জনজাতিসকলে লাভ কৰি থকা সা-সুবিধাত ব্যাঘাত নোহোৱাকৈ নতুনকৈ জনজাতিৰ মৰ্যাদা লাভ কৰা সকলে নিজৰ প্ৰাপ্য সা-সুবিধা লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অৱশ্যে মন্ত্ৰীগোটৰ প্ৰতিবেদনে সমগ্ৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰিব। এই প্ৰতিবেদন অনুসৰি অসমত অনুসূচীত জনজাতি ভৈয়াম, পাহাৰ আৰু উপত্যকা এই তিনিটা ভাগত ভাগ কৰা হ'ব। প্ৰতিবেদনত লগতে সাংবিধানিক সংশোধনীৰ জৰিয়তে ষষ্ঠ অনুসূচীৰ লোকসভা সমষ্টিসমূহ স্থায়ীভাৱে অনুসূচীত জনজাতিৰ বাবে সংৰক্ষণ প্ৰস্তাৱ দিয়া হৈছে। এই সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তই সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট (কেশৱ মহন্ত)**

টাই আহোমকে ধৰি ছটা জনগোষ্ঠীক জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদনক লৈ জনগোষ্ঠীকেইটাৰ সংগঠনে ৰাজ্য চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছে।

শিৱসাগৰত কালি দৌলমুখ চাৰিআলিত টাই আহোম যুৱ পৰিষদে চৰকাৰৰ স্থিতিক আদৰণী জনাই আনন্দ-উল্লাস কৰে। এই সন্দৰ্ভত সংগঠনটোৰ নেতা দিগন্ত তামুলীয়ে আমাৰ সংবাদদাতাৰ আগত এইদৰে কয়—

**বাইট (দিগন্ত তামুলী)**

ইপিনে অসম বিধানসভাত এই প্ৰতিবেদন দাখিল হোৱাক লৈ কালি কোকৰাঝাৰত জনজাতীয় ছাত্ৰ সমাজে প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি কৰে। অৱশ্যে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

০০০০০০

ৰাজ্যত ২০১৯ চনৰ পৰা বৰ্তমানলৈকে ৪৩০ জন চৰকাৰী বিষয়া কৰ্মচাৰীক দুৰ্নীতি নিবাৰণ আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰে ভিতৰত অসম আৰক্ষীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰণী শাখাই ৩০২ জনক, মুখ্যমন্ত্ৰীৰ বিশেষ নিৰীক্ষণ শাখাই ৮৮ জনক আৰু আৰক্ষীয়ে ৪০ জন বিষয়া কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে। অসম বিধানসভাৰ শীতকালীন অধিবেশনৰ কালি অন্তিম দিনা বিধায়ক জাকিৰ হুছেইন সিকদাৰৰ এটা প্ৰশ্নৰ

উত্তৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰে। তেওঁ কয়, যে গ্ৰেপ্তাৰ হোৱা বিষয়া-কৰ্মচাৰীৰ বিচাৰ প্ৰক্ৰিয়া আদালতত চলি আছে যদিও এতিয়ালৈকে কোনো দোষী সাব্যস্ত হোৱা নাই। অৱশ্যে ২৩ জন বিষয়া-কৰ্মচাৰীক গ্ৰেপ্তাৰৰ পাছতে চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে আৰু ৫ জনৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছে। ২০১৯ চনৰ পৰা ২৫ জন বিষয়া-কৰ্মচাৰীক আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি ৰখাৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। আন এটা প্ৰশ্নৰ উত্তৰত গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰীয়ে কয়, যে ২০১৯ চনৰ ১০ মে'ৰ পৰা যোৱা ১৯ নৱেম্বৰলৈ ৩৯ জন অভিযুক্তৰ অসম আৰক্ষী জিম্মাত মৃত্যু হৈছে। একেদৰে ১৮৩ জন অভিযুক্ত গুলীবিদ্ধ বা আঘাতপ্ৰাপ্ত হৈছে। এই সন্দৰ্ভত তদন্ত কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

দেশৰ সুৰক্ষাৰ সেৱাত নিয়োজিত সেনা বাহিনীৰ বাবে আকাশবাণী গুৱাহাটীয়ে প্ৰচাৰ কৰা বিশেষ অনুষ্ঠানত অংশ লোৱা তিনিগৰাকী জনপ্ৰিয় ঘোষকৰ অনুভৱ আৰু অভিজ্ঞতাৰে কালি দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত অংশ লৈ প্ৰাক্তন ঘোষিকা তথা অনুষ্ঠান প্ৰস্তুতকৰ্তা তাপসী সেনগুপ্ত, সাধনা ফুকন আৰু দিবাকৰ গোস্বামীয়ে অনুষ্ঠান পৰিৱেশনৰ সময়ত লাভ কৰা অম্ল মধুৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানৰ আন এগৰাকী জনপ্ৰিয় ঘোষিকা প্ৰয়াত বিমলেশ আৰ্যকো অনুষ্ঠানত সোঁৱৰণ কৰা হয়। অনুষ্ঠানত বৰ্তমান কলকতাস্থিত তাপসী সেনগুপ্তই টেলিফোনযোগে অংশ লৈ এই কাৰ্যসূচীয়ে কেনেদৰে বিপুল জনপ্ৰিয়তা লাভ কৰিছিল এই বিষয়ে উল্লেখ কৰে। প্ৰতি সপ্তাহে চিঠি-পত্ৰৰ অনুষ্ঠানত ৫ শতাধিক চিঠি আহিছিল বুলিও তেওঁ কয়। এই অনুষ্ঠানত সাধনা ফুকনে অসম আন্দোলনৰ দৰে প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত কাৰ্যসূচী চলাই যোৱাৰ অভিজ্ঞতাৰ বিষয়ে উল্লেখ কৰে। একেদৰে দিবাকৰ গোস্বামীয়েও এই অনুষ্ঠানত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰে।

**বাইট (সাধনা ফুকন)**

অনুষ্ঠানটোৰ পৰিচালনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

নগাঁও জিলাৰ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ দখলিকৃত মাটিত উচ্ছেদ অভিযান অব্যাহত আছে। কালি লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ চানখোলা, কান্দাপাৰা, জুৰিৰপাৰ, বেদেৰীপাৰ, আৰু মাজগাঁৱত অবৈধভাৱে বাস কৰা পৰিয়ালসমহূক উচ্ছেদ কৰাৰ পাছত জিলা প্ৰশাসনে আৰক্ষী আৰু বন

বিভাগৰ সহযোগত আজি দখলিকৃত বাকী অংশসমূহ দখলমুক্ত কৰাৰ বাবে অভিযান চলাব। নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জনোৱা মতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰক নিৰ্দেশ কঠোৰভাৱে পালন কৰি অঞ্চলটোত উচ্ছেদ চলোৱা হৈছে। বছৰ বছৰ ধৰি দখল হৈ থখা বনাঞ্চলখনৰ পাঁচ হাজাৰ ৬৯২ বিঘা ভূমি খালী কৰাৰ ব্যৱস্থা কৰা হৈছে। দখলিকৃত ভূমিৰ এহেজাৰ ৫৪০ বিঘা মাটি লুটুমাৰীৰ আৰু বাকীখিনি কান্দাপাৰা, চানখোলা, বেদেৰীপাৰ, জুৰিৰপাৰ, কদমণি, মাজগাঁও, নিমবাগানলৈ বিস্তৃত হৈ আছে। প্ৰশাসনে দখলিকৃত ভূমি উচ্ছেদ কৰিবৰ বাবে ৫০ খন এক্সকেভেটৰ আৰু সহস্ৰাধিক নিৰাপত্তাৰক্ষীক নিয়োগ কৰিছে।

oooooo

সংসদৰ শীতকালিন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। ১৯ ডিচেম্বৰত এই অধিৱেশনৰ সামৰণি পৰিব। অধিৱেশৰ পূৰ্বে চৰকাৰে আজি এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ উভয় সদনত ৰাজনৈতিক দলসমূহৰ নেতাসকলক সাক্ষাৎ কৰিব। বৈঠকত চৰকাৰে শীতকালীন অধিবেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন হোৱাতো সুনিশ্চিত কৰাৰ বাবে সকলো ৰাজনৈতিক দলৰ সহায় সহযোগিতা বিচাৰিব। ১৯ ডিচেম্বৰ পৰ্যন্ত চলিবলগীয়া এই অধিবেশনৰ সময়ছোৱাত আলোচনা আৰু বিবেচনাৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক সদনত উত্থাপন কৰা হ'ব।

oooooo

আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত সুধাকণ্ঠ ভূপেন হাজৰিকা আৰু ৰাইজৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গীতৰ সমূহীয়া পৰিৱেশনৰ বাবে আজি আকাশবাণী গুৱাহাটীৰ চৌহদৰ খেলপথাৰত এটা বৰ্ণাঢ্য অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী চৌহদৰ বাসিন্দাসকলৰ লগতে বহু কেইগৰাকী আমন্ত্ৰিত শিল্পীয়ে দুয়োগৰাকী শিল্পীৰ গীত পৰিৱেশন কৰিব।

oooooo

গুৱাহাটীত অনুষ্ঠিত দ্বিতীয় উত্তৰ-পূব পেৰা স্পৰ্টছ মিটৰ কালি সামৰণি পৰে। অসমে ৫৩ টা সোণৰ পদকেৰে প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰে। প্ৰতিযোগিতাখনত অসমে ৫৩টা সোণ, ৫০ টা ৰূপ আৰু ৪৯ টা ব্ৰঞ্জসহ মুঠ ১৫২ টা পদকেৰে বিজয়ী হিচাপে পৰিগণিত হয়। অৰুণাচল প্ৰদেশে ৮৪ টা পদকেৰে দ্বিতীয় স্থান থাকে।

oooooo

অধিৱেশনৰ অন্তিম দিনা দাখিল জনজাতিকৰণৰ প্ৰতিবেদন, কামপূৰৰ লুটুমাৰী বনাঞ্চলৰ এহেজাৰ ৭০০ পৰিয়ালৰ বাসগৃহত চলি বুলডজাৰ, তেজপুৰ বিশ্ববিদ্যালয়ত উদ্বেগজনক পৰিস্থিতি, কংগ্ৰেছৰ সদন ত্যাগ, ৰাজ্যত পঞ্জীয়নভুক্ত নিৰনুৱাৰ সংখ্যা ২২ লক্ষাধিক, ড০ পীতাম্বৰ দেৱগোস্বামীক প্ৰদান কৰা হ'ব বৈকুণ্ঠ বৈভৱ বটা আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হিমন্ত বিশ্ব শৰ্মা কেবিনেটে কালি ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত দাখিৰ কৰা প্ৰতিবেদন মৰাণ, মটক সংগঠনে আদৰণি জনোৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অৰূপ শাণ্ডিল্য আৰু ড০ মেঘনা চৌধুৰীলৈ মুনীন বৰকটকী স্মাৰক ন্যাসে প্ৰথমবাৰলৈ লিখন ফেল'শ্বিপ আগবঢ়োৱাৰ

বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। আন্তঃৰাষ্ট্ৰীয় সামুদ্ৰিক সংস্থাৰ কাউন্সিলত সৰ্বাধিক ভোটেৰে ভাৰত পুনৰ নিৰ্বাচিত হোৱাৰ বাতৰি অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমৰ জি এছ ডি পি ১২ শতাংশ হাৰে ৫ লাখ ৭০ হাজাৰ ২৪২ দশমিক ৬-১ কোটি টকালৈ বৃদ্ধি- কেগ'ৰ এই প্ৰতিবেদনে ৰাজ্যৰ অৰ্থনীতিলৈ আশাৰ বতৰা কঢ়িয়াই অনাৰ বাতৰি নিয়মীয়া বাৰ্তা আৰু দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে। ডেংগু, ইনফ্লুৱেঞ্জা, ডায়েৰিয়াৰ দৰে ৰোগৰ প্ৰাদুৰ্ভাৱ তথা জনস্বাস্থ্যৰ প্ৰতি আহিব পৰা আন ভাবুকি কাষৰীয়া অঞ্চললৈ সোচৰাৰ আগতেই জনাবলৈ ভাৰতে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰিব-এই বাতৰি দৈনিক জনমভূমি কাকতৰ। সদনত কালি শিক্ষা বিষয়ক একাধিক বিধেয়ক গৃহীত হোৱাৰ বাতৰি দা ছেণ্টিনেল আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দেশৰ ভূমিকম্পপ্ৰৱণ অঞ্চলৰ আটাইতকৈ বিপজ্জনক ৰেড জ'নত অসমক স্থান দিয়া বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছলৈ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

**সমাপ্ত**